**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-03-2026
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ৰাজ্যৰ মুঠ ১২৬ টা বিধানসভা সমষ্টিৰ ভিতৰত ১২৪ টা সমষ্টিত আজি মনোনয়ন পত্ৰ পৰীক্ষা কৰা হয়। অনুসূচীত জাতিৰ বাবে সংৰক্ষিত বৰপেটা আৰু ঢেকিয়াজুলি সমষ্টিৰ মনোনয়ন পত্ৰৰ পৰীক্ষা কাইলৈ দিনৰ এঘাৰ বজালৈ স্থগিত ৰখা হৈছে। মনোনয়ন পত্ৰ পৰীক্ষাৰ অন্তত ৭৭৬ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ বুলি বিবেচিত হৈছে। ইচ্ছুক প্ৰাৰ্থীসকলে ২৬ মাৰ্চৰ বিয়লি ৩ বজা পৰ্যন্ত মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব।

কামৰূপ মহানগৰ জিলাৰ পাঁচটা বিধানসভা সমষ্টিৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰা ২৬ গৰাকী প্ৰাৰ্থীৰ আটাইকেইগৰাকীৰে মনোনয়ন বৈধ বুলি বিবেচিত হৈছে। মাজুলী জিলাত আজি মনোনয়ন পত্ৰ পৰীক্ষাৰ অন্তত আটাইকেইগৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ বিবেচিত হৈছে। বিজেপিৰ ভূৱন গাম, কংগ্ৰেছৰ ইন্দ্ৰনীল পেগু আৰু এছ ইউ চি আইৰ ভাইটী ৰিছঙৰ প্ৰাৰ্থিত্ব নিশ্চিত হৈছে। একেদৰে দক্ষিণ শালমাৰা মানকাচৰ জিলাত মনোনয়ন দাখিল কৰা সাতগৰাকী প্ৰাৰ্থীৰ মনোনয়ন পৰীক্ষাৰ অন্তত আটাইকেইগৰাকীৰে মনোনয়ন বৈধ ঘোষণা কৰা হৈছে। বজালী জিলাত দুটা সমষ্টিৰ বাবে দাখিল হোৱা ১০ খন মনোনয়নৰ ভিতৰত এখন বাতিল হৈছে। মনোনয়ন পৰীক্ষাৰ অন্তত ভৱানীপুৰ সৰভোগ সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী মহম্মদ ৰহমান আলীৰ মনোনয়ন বাতিল কৰা হৈছে। দৰং জিলাত মনোনয়ন পত্ৰ পৰীক্ষণৰ পাছত দুগৰাকী প্ৰাৰ্থীৰ মনোনয়ন নাকচ হৈছে। জিলাখনত ভোটাৰ্ছ পাৰ্টী ইণ্টাৰনেচনেলৰ চাইফুল চৌধুৰী আৰু নিৰ্দলীয় প্ৰাৰ্থী দিলীপ কুমাৰ বনিয়াৰ মনোনয়ন নাকচ হৈছে। জিলাখনত ১৯ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। ডিব্ৰুগড় জিলাৰ ছটা বিধানসভা সমষ্টিৰ বাবে দাখিল কৰা ২৪ খন মনোনয়ন বৈধ হিচাপে বিবেচিত হৈছে।

০০০০

বিধানসভা নিৰ্বাচনৰ বাবে শাসক-বিৰোধী উভয় পক্ষই প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আজি ভৱানীপুৰ-সৰভোগ সমষ্টিৰ প্ৰাৰ্থী ৰঞ্জিত কুমাৰ দাসৰ সমৰ্থনত প্ৰচাৰ চলাবলৈ প্ৰায় ২৫ কিলোমিটাৰ জোৱা জন আশীৰ্বাদ যাত্ৰাত অংশগ্ৰহণ কৰে। ইয়াৰ পূৰ্বে জ্যেষ্ঠ বিজেপি নেতাগৰাকীয়ে গৰখীয়া গোসাঁই থানত সেৱা আগবঢ়াই নিৰ্বাচনী প্ৰচাৰ সুকলমে সমাপন কৰিবলৈ আশীৰ্বাদ লয়।

মাজুলী বিধানসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ভূৱন গামৰ হৈ দলটোৰ জ্যেষ্ঠ নেতা আৰু মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে চাৰিখন প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। দলীয় কাৰ্যকৰ্তাসকলক সম্বোধন কৰি মন্ত্ৰীগৰাকীয়ে এনেদৰে কয় -

বাইট (পেগু)

অহা ২৯ মাৰ্চত মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকীৰ হৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মাজুলীলৈ যোৱাৰ সম্ভাৱনা আছে।

একেদৰে, কংগ্ৰেছৰ নেতাসকলেও ৰাজ্যৰ ভিন্ন প্ৰান্তত নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। দলৰ জ্যেষ্ঠ নেতা ৰিপুন বৰা, দেৱব্ৰত শইকীয়া আৰু মীৰা বৰঠাকুৰেও আজি নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশ লয়। ইতিমধ্যে নিৰ্বাচনৰ বাবে দলটোৱে ৪০ জনীয়া তাৰকা প্ৰচাৰকৰ নাম ঘোষণা কৰিছে। ০০০

০০০০০

ৰাজ্যৰ বিভিন্ন স্থানত আজি ধুমুহা বৰষুণ হোৱাৰ বাতৰি পোৱা গৈছে। ধুমুহা বৰষুণৰ ফলত বঙাইগাওঁ ৰাজহ চক্ৰ এলেকাৰ চিপনচিলাত কেইবাটাও বাসগৃহৰ ক্ষতিসাধন হয়। মানকাচৰত হঠাৎ অহা ধুমুহাৰ ফলত ব্ৰহ্মপুত্ৰত এখন নাও ডুব যোৱাৰ বাতৰি পোৱা গৈছে। নাওখনত মুঠ ৪ জন লোক আছিল। ইয়াৰে তিনিগৰাকী লোকে সাতুৰি প্ৰাণ ৰক্ষা কৰে যদিও এজন লোক এতিয়াও নিৰুদ্দেশ হৈ আছে। গুৱাহাটীতো ধুমুহা-বৰষুণৰ আংশিক প্ৰভাৱ পৰা পৰিলক্ষিত হয়। ০

০০০০০

বিধি বলবৎকাৰী সঞ্চালকালয়ৰ গুৱাহাটী মাণ্ডলিক কাৰ্যালয়ে আজি গ্ৰাহকক প্ৰৱঞ্চনা কৰাৰ অভিযোগত মেচাৰ্চ ডি বি কনচালটেঞ্চী আৰু প্ৰতিষ্ঠানটোৰ স্বত্বাধিকাৰী দিপাংকৰ বৰ্মন আৰু অন্যান্যসকলৰ ১৩ কোটি ৪১ লাখ টকাৰ স্থাবৰ-অস্থাৱৰ সম্পত্তি জব্দ কৰে। জব্দ কৰা সা সম্পত্তিসমূহৰ ভিতৰত গুৱাহাটী-হায়দৰাবাদ আৰু বিশাখাপট্টনমত থকা ফ্লেট, মাটি, ২৭ টা কৈ বেংক একাউণ্টত থকা ৪ কোটি ৪ লাখ টকা আৰু মিচুৱেল ফাণ্ড ইকুইটিত বিনিয়োগ কৰা ৬৬ লাখ টকা আছে। তদন্ত সংস্থাটোৱে প্ৰকাশ কৰা মতে, অভিযুক্ত দীপাংকৰ বৰ্মনে অধিক লাভ দিয়াৰ প্ৰলোভনেৰে মেচাৰ্চ ডি বি কনচালটেঞ্চীৰ জৰিয়তে ১৫ হাজাৰ বিনিয়োগকাৰীৰ পৰা ৪০০ কোটি ১৪ লাখ টকা সংগ্ৰহ কৰিছিল।

০০০০০

কামৰূপ মহানগৰ জিলাৰ পকছ' আদালতে শিশু পৰ্ণগ্ৰাফী সম্পৰ্কীয় গোচৰত নগাওঁৰ বিকাশ চৰকাৰ নামৰ এজন লোকক দুবছৰৰ সশ্ৰম কাৰাদণ্ড আৰু ৩ লাখ টকাৰ জৰিমণা বিহিছে। আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগত ৰুজু হোৱা গোচৰৰ ভিত্তিত পকছ' আইনৰ ১৫ নম্বৰ ধাৰাৰ অধীনত অপৰাধীজনক দোষী সাব্যস্ত কৰে আৰু কাৰাদণ্ড বিহে।

০০০০০

ঃঃ সমাপ্ত ঃঃ